প্ৰেছ বিজ্ঞপ্তি
১৭ ফেব্ৰুৱাৰী, ২০১৭

**আৰ বি আয়ে জনতা আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, ৰাই, জিলা ছাটাৰাৰ ওপৰত দণ্ড আৰোপ কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশ/নিৰ্দেশনামা উলংঘনৰ বাবে বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৪৬(৪)ৰ সৈতে পঠিত ধাৰা ৪৭ক(১)(খ) উপবন্ধৰ অধীনত ইয়াক প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি, জনতা আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, ৰাই, জিলা ছাটাৰাৰ ওপৰত ২.০০ লাখ টকা (দুই লাখ টকা)ৰ অৰ্থদণ্ড বিহিছে।

২০১৩-১৪ বিত্তীয় বৰ্ষটোৰ সময়ছোৱাত গৃহনিৰ্মাণ/ৰিয়েল ইষ্টেট/বাণিজ্যিক ৰিয়েল ইষ্টেটলৈ উন্মোচিত বেংক ঋণ আগৰ বছৰটোৰ শুদ্ধ মুঠ সম্পদৰ ১৮.৮% হয় যাৰ দ্বাৰা দিনাংক ১ জুলাই, ২০১৩যোগে দিয়া চাৰ্কুলাৰত বান্ধি দিয়া ১৫ শতাংশৰ সীমা অতিক্ৰমন হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকটোক এখন কাৰণ দৰ্শোৱাৰ জাননী দিছিল যাৰ সঁহাৰিত বেংকটোৱে এটা লিখিত উত্তৰ আৰু তাৰ ওপৰত অধিকতৰ বক্তব্য দাখিল কৰিছিল। ঘটনাটোৰ প্ৰকৃত সত্য আৰু বিষয়টোৰ সন্দৰ্ভত বেংক সিদ্ধান্তলৈ আহে যে উলংঘন প্ৰমাণিত হৈছে আৰু দণ্ড আৰোপ সপ্ৰমাণসাধ্য হৈছে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২২৩১**